কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১৯/২০২৩-২৪
*Ref :*

তাৰিখ : ১১-১১-২০২২
*Date :*

## অসম জাতীয় বিদ্যালয়ত 'সুধাকণ্ঠক সশ্ৰদ্ধ সোঁৱৰণ' শীৰ্ষক অনুষ্ঠান উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১১ নৱেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ সংখ্যক মৃত্যু দিৱস উপলক্ষে আজি অসম জাতীয় বিদ্যালয়ত 'সুধাকণ্ঠক সশ্ৰদ্ধ সোঁৱৰণ' শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই। বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে আদৰণী ভাষণ প্ৰসংগত ড° ভূপেন হাজৰিকাৰ গীতসমূহত নিহিত হৈ থকা শিল্প তথা সাহিত্যক হৃদয়ংগম কৰিবলৈ যত্ন কৰাৰ কথা শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় আৰু লগতে তেওঁৰ সৃষ্টিসমূহ গভীৰভাৱে উপলব্ধি কৰি সংৰক্ষণ কৰা কথাটোত গুৰুত্ব দিয়া উচিত বুলিও কয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক তথা লেখক বিদ্যুৎ কুমাৰ ভূঞাই ভাষণ প্ৰসংগত জীৱনক আগবঢ়াই নিয়াৰ মূল চাবি-কাঠি যে আত্মবিশ্বাস সেই কথা নিজৰ অভিজ্ঞতাৰে শিক্ষাৰ্থীৰ আগত অবগত কৰে। ভূপেন হাজৰিকাক সৰুৰে পৰা ভালপোৱাৰ তেওঁৰ যাত্ৰাটো কেনে ৰোমাঞ্চকৰ আৰু আমোদজনক আছিল সেই কথাও নানা ঘটনাৰ কথাৰে উল্লেখ কৰে। উল্লেখযোগ্য যে প্ৰতি বছৰে ৫ নৱেম্বৰ তাৰিখে বিদ্যালয়ত 'ভূপেন হাজৰিকা দিৱস' অনুষ্ঠিত কৰা হয়। কিন্তু যোৱা ৫ নৱেম্বৰ, ২০২৩ তাৰিখে বিদ্যালয়ত বাৰ্ষিক গীত-মাতৰ গধূলিৰ দ্বিতীয় দিনাৰ অনুষ্ঠান অনুষ্ঠিত হোৱা বাবে ভূপেন হাজৰিকা দিৱসৰ লগত সংগতি ৰাখি ১১-১১-২০২৩ তাৰিখে উক্ত অনুষ্ঠানৰ আয়োজন কৰা হয়। দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী চায়না কাশ্যপে। বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী তৃষ্ণা গোস্বামীয়ে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে গীত, নৃত্য আদি পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ আৰম্ভণি ঘোষণা কৰে প্ৰাক্-বিদ্যালয়ৰ মুৰব্বী শিক্ষয়িত্ৰী জুলি শইকীয়াই। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী স্নেহা কলিতাই। 'ভূপেন হাজৰিকা দিৱস'ৰ আহ্বায়কৰ দায়িত্বত থকা অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী গায়ত্ৰী শইকীয়াই অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায়।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়